জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬৭/২০২১

## ৰাজ্যৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া খণ্ডৰ উদ্যোগৰ প্ৰসাৰৰ অৰ্থে ৰাজ্য চৰকাৰক ৩৫০ কোটি টকাৰ দায়বদ্ধতা পত্ৰ প্ৰদান ছিডবিৰ

## এখন জিলাত এক বিশিষ্ট মানযুক্ত সামগ্ৰী উৎপাদনত উদগণি যোগোৱাত গুৰুত্ব প্ৰদান মুখ্যমন্ত্ৰীৰ

## ৰাজ্যখনত ষ্টাৰ্টআপ প্ৰকল্পসমূহৰ প্ৰসাৰৰ অৰ্থে ৰাজ্য চৰকাৰৰ সৈতে উদ্ভাৱনী পুঁজি গঠনত সহযোগিতা আগবঢ়াব ছিডবিয়ে

**দিছপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ভাৰতীয় লঘু উদ্যোগ উন্নয়ন বেংক (ছিডবি)ৰ সৈতে এক বৈঠকত মিলিত হয়। এই বৈঠকত বেংকটোৱে অসম চৰকাৰক খণ্ড উন্নয়ন পুঁজিৰ অধীনত ৩৫০ কোটি টকাৰ এক দায়বদ্ধতা পত্ৰ (কমিটমেণ্ট লেটাৰ) অৰ্পণ কৰে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত ছিডবিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক শিৱসুব্ৰমনিয়ন ৰমনে ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদীৰ হাতত এই পত্ৰ আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। বৈঠকত হোৱা আলোচনাত ৰাজ্যখনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পৰা বহু কেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

অনুষ্ঠানত নিজৰ বক্তব্য আগবঢ়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্য দৰ্শন অনুসৰি এখন জিলাত এক বিশিষ্ট মানযুক্ত সামগ্ৰী উৎপাদনত উদগণি যোগোৱাৰ উদ্দেশ্যে 'ক্লাষ্টৰ'সমূহ গঠনত প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। এই পুঁজিৰ অধীনত প্ৰতিখন জিলাৰ পৰা ৰপ্তানি কৰিব পৰা সামগ্ৰী চিনাক্ত কৰি সেই দিশত উদগণি যোগোৱাৰ বাবে আন্তঃগাঁথনি আৰু সা-সামগ্ৰীৰ অভাৱসমূহ দূৰ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হ'ব। তেওঁ কয় যে ৰাজ্যখনৰ সৈতে ছিডবিৰ দীৰ্ঘদিনৰ পৰা জড়িত হৈ আছে যদিও ৰাজ্যত ইয়াৰ প্ৰসাৰ আৰু কাম-কাজ অতি সীমিত আছিল। তেওঁ কয় যে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ উন্নীত হোৱাৰ লগে লগে ৰাজ্যখনত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডৰ প্ৰসাৰ বিনিয়োগ আৰু উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ছিডবিৰ সৈতে অধিক সহযোগিতামূলক পৰিৱেশত কাম কৰাৰ সময় আহি পৰিছে।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনত উদ্ভাৱনীমূলক কাম-কাজক উদগণি দিয়াৰ লগতে ষ্টাৰ্টআপ উদ্যোগীসকলক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে এক ষ্টাৰ্টআপ পুঁজি গঠনত সহায় কৰাৰ বাবে ছিডবিক আহ্বান জনায়। ৰাজ্যখনৰ আত্মসহায়ক গোটসমূহৰ প্ৰসাৰৰ লগতে এনে গোটসমূহে যাতে অধিক স্বনিৰ্ভৰশীল হৈ আগবাঢ়ি যাব পাৰে তাৰ বাবেও সহায়-সহযোগিতা আগবঢ়াবলৈও তেওঁ ছিডবিক আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ আহ্বানলৈ সহাৰি জনাই ছিডবিয়ে ৰাজ্যখনত ষ্টাৰ্টআপ উদ্যোগীসমূহৰ সহায়ৰ অৰ্থে ৰাজ্য চৰকাৰৰ সহযোগত এক উদ্ভাৱনী পুঁজি গঠনত সন্মতি প্ৰদান কৰে। এই প্ৰস্তাৱিত পুঁজিলৈ বৰঙণি আগবঢ়োৱাৰ  লগতে ছিডবিয়ে আনুসংগিক মূলধনী পুঁজি কামত খটুওৱাৰ ইচ্ছা প্ৰকাশ কৰে। ৰাজ্যখনৰ আত্মসহায়ক গোটসমূহে যাতে এক উদ্যোগৰ পৰ্যায়লৈ উন্নীত হ'ব পাৰে আৰু ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈ অধিক অৰিহণা আগবঢ়াব পাৰে সেই দিশতো যাৱতীয় সহায়-সহযোগিতা আগবঢ়াবলৈ ছিডবিয়ে সন্মতি প্ৰদান কৰে।

অনাগত সময়ছোৱাত ৰাজ্যখনৰ উন্নয়নত ছিডবিয়ে অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰি ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ক্ষেত্ৰত ৰাজ্যখনত কাম কাজ কৰাৰ এক অনকূল পৰিৱেশ থকাৰ পৰিপ্ৰেক্ষিতত ছিডবিৰ ৰাজ্যখনত সক্ৰিয়তা বৃদ্ধিত সহায়ক হ'ব। তেওঁ লগতে কয় যে ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণে যাতে উন্নয়নৰ সুফল লাভ কৰিব পাৰে সেই উদ্দেশ্যেই ছিডবিৰ সৈতে এই উন্নয়নমূলক পদক্ষেপলানী গ্ৰহণ কৰা হৈছে।

অনুষ্ঠানত ছিডবিৰ মুখ্য পৰিচালন সঞ্চালক শিৱসুব্ৰমনিয়ন ৰমনে ছিডবিৰ বিভিন্ন ক্ষেত্ৰত থকা পাৰদৰ্শিতা, সেৱা আদি উল্লেখ কৰি ইয়াৰ জৰিয়তে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পৰা দিশসমূহ সামৰি এক প্ৰেজেন্টেশ্যন আগবঢ়ায়। আনহাতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদীয়ে তেওঁৰ আদৰণী ভাষণত ৰাজ্যখনৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডৰ সাম্প্ৰতিক পৰিস্থিতি তথা এই ক্ষেত্ৰত ছিডবিয়ে ল'ব পৰা ভূমিকা সম্বন্ধে এক প্ৰেজেন্টেশ্যন আগবঢ়ায়।

অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, নেডফিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক পি ভি এছ এল এন মূৰ্তি, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, উদ্যোগ সংস্থাসমূহৰ প্ৰতিনিধিবৰ্গকে ধৰি উদ্যোগ আৰু বাণিজ্য বিভাগ তথা আন বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ / সুঃদঃ**

**১৪-০৯-২০২১**